**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-05-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***:::::::::::::::::::::::::::::::::::::::***

**Headlines**

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত কাইলৈ ৮ খন ৰাজ্যৰ ৪৯ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ।

২। কেন্দ্ৰীয় চৰকাৰে জনসাধাৰণক নিৰ্দিষ্ট সময়ৰ ভিতৰত ন্যায় প্ৰদানৰ লক্ষ্যৰে ঔপনিবেশিক যুগৰ ফৌজদাৰী ন্যায় ব্যৱস্থাৰ ৰূপান্তৰ সাধন কৰিছে বুলি কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালৰ গুৱাহাটীত মত প্ৰকাশ।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত অহা দুই-তিনিদিনলৈ বৰষুণ অব্যাহত থাকিব বুলি গুৱাহাটী আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী।

৪। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দুগৰাকী স্থায়ী ন্যায়াধীশৰ নিযুক্তিত উচ্চতম ন্যায়ালয়ৰ অনুমোদন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ, কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

০০০০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত কাইলৈ দেশৰ ৮খন ৰাজ্যৰ ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ কালি বিয়লি সামৰণি পৰে। কাইলৈ বিজেপিৰ ৰাজনাথ সিং, স্মৃতি ইৰাণী, পীযূষ গোৱেলৰ লগতে কংগ্ৰেছৰ ৰাহুল গান্ধী, নেচনেল কনফাৰেন্সৰ ওমৰ আব্দুলাকে ধৰি বহু কেইগৰাকী ৰাজনৈতিক নেতাৰ নিৰ্বাচনী ভাগ্য ইভিএমত বন্দী হ'ব। ইপিনে কালি এই পৰ্যায়ৰ প্ৰচাৰৰ অন্তিম দিনটোত ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙেও কালি উত্তৰ প্ৰদেশত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰি বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ উন্নয়নমুখী কাৰ্যকলাপসমূহে বিশ্বব্যাপি অৰ্থনীতিবিদ আৰু বিত্তীয় অনুষ্ঠানসমূহৰ সমাদৰ লাভ কৰিছে বুলি উল্লেখ কৰে।

জ্যেষ্ঠ বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো কালি বিহাৰত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কংগ্ৰেছৰ শাসনক জংঘলৰাজ আখ্যা দি শ্ৰীশৰ্মাই বিজেপিৰ নেতৃত্বত এন ডি এ চৰকাৰে সুশাসন প্ৰৱৰ্তন কৰিছে বুলি দাবী কৰে।

ইপিনে জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কালি কয় যে, সংবিধান ৰক্ষা কৰাই আই এন ডি আই মিত্ৰজোঁটৰ প্ৰথম লক্ষ্য হ'ব। নতুন দিল্লীৰ ৰামলীলা ময়দানত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শ্ৰীগান্ধীয়ে শাসনত থকা দলটোৱে সংবিধানখনক দুৰ্বল কৰিব বিচাৰিছে বুলি অভিযোগ কৰে।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি মুম্বাইত এখন সংবাদমেলত কয় যে, আই এন ডি আই মিত্ৰজোঁটে চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হ'লে জিএছটিৰ সলনি এটা সৰল আৰু একক দৰযুক্ত কৰ ব্যৱস্থা সকলোৰে কাৰণে প্ৰযোজ্য কৰা হ'ব। দেশৰ ১৪০ কোটি জনসাধাৰণক চাকৰি, মূল্যবৃদ্ধি, দুৰ্নীতি হ্ৰাস

ইত্যাদি বিভিন্ন ক্ষেত্ৰত মিছা প্ৰতিশ্ৰুতি প্ৰদান কৰা বুলি দাবী কৰি শ্ৰীখাৰ্গেয়ে শাসকীয় চৰকাৰক সমালোচনা কৰে।

ইপিনে দেশৰ বিভিন্ন প্ৰান্তত ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান অব্যাহত আছে। ষষ্ঠ পৰ্যায়ত ২৫ মে'ত আৰু সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭টাকৈ সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। তেওঁ আজি দুপৰীয়া পুৰুলীয়া লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। বিয়লি শ্ৰীমোদীয়ে বাৰুকা জিলাৰ বিষ্ণুপুৰ আৰু মেডিনিপুৰ লোকসভা সমষ্টিৰ খড়গপুৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব।

ইপিনে এইবাৰৰ সাধাৰণ নিৰ্বাচন স্বজনপ্ৰীতি তথা পক্ষপাতিত্বৰ মানসিকতা আৰু দেশক দুৰ্বল কৰিব বিচৰা শক্তিসমূহক পৰাস্ত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হোৱা বুলি শ্ৰী মোদীয়ে কালি মতপ্ৰকাশ কৰিছে। কালি সন্ধিয়া উত্তৰ-পূব দিল্লীত এখন নিৰ্বাচনী সভাত ভাষণ দি তেওঁ কয় যে, ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাক এখন স্থিৰ চৰকাৰৰ প্ৰয়োজন। ৰাষ্ট্ৰীয় ৰাজধানীখন বিশ্বৰ আকৰ্ষণৰ কেন্দ্ৰ হোৱা উচিত বুলি উল্লেখ কৰি তেওঁ কয় যে, জি-২০ শীৰ্ষ সন্মিলনৰ সময়ত দিল্লীৰ পৰিৱৰ্তন দেখি বিশ্বৰ নেতাসকল বিস্মিত হৈছিল। শ্ৰীমোদীয়ে লগতে কয় যে, ভাৰত মণ্ডপম আৰু য়শুভূমিৰ দৰে আধুনিক সন্মিলন গৃহৰ লগতে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক আৰু নতুন সংসদভৱনে দিল্লীক এতিয়া উজ্বলাই তুলিছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে জনসাধাৰণক নিৰ্দিষ্ট সময়ৰ ভিতৰত ন্যায় প্ৰদানৰ লক্ষ্যৰে ঔপনিবেশিক যুগৰ ফৌজদাৰী ন্যায়  ব্যৱস্থাৰ ৰূপান্তৰ সাধন কৰিছে  বুলি কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কালি গুৱাহাটীত প্ৰকাশ কৰে। মন্ত্ৰালয়ৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ আই আই টি গুৱাহাটীত আয়োজিত **ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰশাসনত ভাৰতত প্ৰগতিশীল পথ** শীৰ্ষক সন্মিলনত দিয়া ভাষণত তেওঁ এই মত প্ৰকাশ কৰিছে। কেন্দ্ৰীয়  মন্ত্ৰীগৰাকীয়ে লগতে ফৌজদাৰী ন্যায় ব্যৱস্থাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰি কয় যে, এনে ধৰণৰ ব্যৱস্থাসমূহ ঔপনিবেশিক শাসকসকলে প্ৰৱৰ্তক কৰিছিল আৰু ইয়াত ভাৰতীয় নীতি আৰু স্বকীয়তাৰ অভাৱ দেখা গৈছিল। ব্ৰিটিছসকলে এনে ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল যদিও বৰ্তমান চৰকাৰে জনসাধাৰণক ন্যায় প্ৰদানৰ প্ৰয়াস চলাইছে বুলি তেওঁ উল্লেখ কৰে। ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ৰ দৰে নতুন আইনসমূহ জনসাধাৰণ কেন্দ্ৰীক বুলি উল্লেখ কৰি শ্ৰী মেঘৱালে কয় যে, কেন্দ্ৰীয় চৰকাৰে দেশ দ্ৰুত গতিৰে উন্নয়নৰ দিশে অগ্ৰসৰ হোৱাৰ সঠিক সময়তে ইয়াক প্ৰৱৰ্তন কৰিছে। ভাষণ প্ৰসংগত শ্ৰীমেঘৱালে সন্মিলনখনে নিৰ্দিষ্ট বিষয় সন্দৰ্ভত সফলতাৰে আলোকপাত কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰে। ২১ শতিকাৰ তৃতীয় দশক ভাৰতৰ স্বতন্ত্ৰতাৰ প্ৰকৃত স্বৰূপ হ'ব বুলি ১৮৯৫ চনত স্বামী বিবেকানন্দই কৰা মন্তব্যৰ প্ৰসংগ উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ভাৰতবৰ্ষৰ ন্যায় ব্যৱস্থাৰ ঔপনিবেশিক শাসন বিৰোধী সংশোধনৰ পোষকতা কৰে। মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধ ৰোধ কৰাটোত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰাৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

অনুষ্ঠানত চিকিম উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিশ্বনাথ চমাদ্দাৰ, আইন আয়োগৰ সদস্য সচিব ৰীতা বশিষ্ঠ, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ ঋষিকেশ ৰয় আৰু মুখ্য সচিব ৰবি কোটায়েও ভাষণ দিয়ে।

০০০০০০০

অহা ৪ জুনত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে প্ৰস্তুতি আৰম্ভ কৰিছে। বিভিন্ন জিলাত ভোটগণনা কাৰ্যৰ বাবে প্ৰশাসনে প্ৰস্তুতিৰ বুজ ল'বলৈ বৈঠকত মিলিত হৈছে। মৰিগাঁও জিলা প্ৰশাসনে অলপতে ভোটগণনাৰ প্ৰস্তুতি সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত ভোটগণনা কাৰ্য নিয়াৰিকৈ চলাই নিয়াৰ বাবে ল'বলগীয়া পদক্ষেপসমূহৰ সন্দৰ্ভত আলোচনা কৰা হয়। ইফালে ৰাজ্যিক নিৰ্বাচন আয়োগেও ৪ জুনৰ ভোটগণনাৰ বাবে নিৰাপত্তা ব্যৱস্থাকে ধৰি সকলো প্ৰস্তুতি গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্টসকলক নিৰ্দেশ দিছে। ৰাজ্যখনৰ ১৪টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা ১৪৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য বন্দী হৈ থকা ইভিএমসমূহ ৫০টা ষ্ট্ৰং ৰুমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। ষ্ট্ৰং ৰুমসমূহত তিনি তৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে ইয়াৰ প্ৰৱেশ আৰু প্ৰস্থান দ্বাৰ চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে, তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত ৬ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ৫টা সমষ্টি কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। একেদৰে দ্বিতীয় পৰ্যায়ত ৫টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত ৬১ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

০০০০০০০

ৰাজ্যৰ প্ৰায়বোৰ অঞ্চলতে অহা দুই-তিনি দিনলৈ বৃষ্টিপাত অব্যাহত থাকিব বুলি গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। কোনো অঞ্চলত ধুমুহা-বতাহৰ লগতে বিজুলী-ঢেৰেকণি আৰু ব্ৰজপাত হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে উত্তৰ-পূব অসম আৰু পাৰ্শ্বৱৰ্তী এলেকাৰ বায়ুমণ্ডলত ঘূৰ্ণীবতাহ বিৰাজমান হৈ থকাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ প্ৰায়বোৰ অঞ্চলতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ অব্যাহত থকাৰ লগতে কোনো কোনো অঞ্চলত বিজুলী-ঢেৰেকণিৰে প্ৰৱল বৃষ্টিপাত হোৱাৰ সম্ভাৱনা আছে।

ইপিনে ৰাজ্যজুৰি হোৱা বৰষুণৰ প্ৰভাৱত সৰ্বোচ্চ তাপমান হ্ৰাস হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যবাসীয়ে উৎকট গৰমৰ পৰা সকাহ পাইছে। বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত সৰ্বোচ্চ তাপমাত্ৰা ৩১ ডিগ্ৰী আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৪ ডিগ্ৰীৰ আশে পাশে থকাৰ সম্ভাৱনা আছে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে ন্যায়াধীশ সুস্মিতা ফুকন খাউণ্ড আৰু ন্যায়াধীশ মিতালী ঠাকুৰীয়াক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ স্থায়ী ন্যায়াধীশ হিচাপে নিযুক্তিত অনুমোদন জনাইছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত গঠিত কলেজিয়ামে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ স্থায়ী ন্যায়াধীশ নিযুক্তিৰ বাবে অতিৰিক্ত ন্যায়াধীশ দুগৰাকীৰ নামত অনুমোদন জনাই ইতিমধ্যে কেন্দ্ৰলৈ প্ৰেৰণ কৰিছে।

০০০০০০০

উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ উত্তৰ বহী পুনৰীক্ষণৰ বাবে পৰীক্ষাৰ্থীসকলে অনলাইনৰ জৰিয়তেহে আবেদন জনাব পাৰিব। এই সন্দৰ্ভত উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে জাৰি কৰা এখন অধিসূচনা অনুসৰি উত্তৰ বহী পুনৰীক্ষণ কৰিবলৈ বিচৰা পৰীক্ষাৰ্থীসকলে অহা ২২ মে'ৰ বিয়লি ৫ বজা পৰ্যন্ত

ahsec.assam.gov.inত অনলাইন আবেদন কৰিব পাৰিব। ইয়াৰ বাবে পৰীক্ষাৰ্থীসকলে মাছুলো অনলাইনযোগে আদায় কৰিব লাগিব।

০০০০০০০০০

দিল্লীৰ এখন জিলা আদালতে মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ঘনিষ্ঠ সহযোগী বিভৱ কুমাৰক ৫ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছে। আম আদমী পাৰ্টীৰ ৰাজ্যসভাৰ সাংসদ স্বাতী মালিৱালক দুৰ্ব্যৱহাৰ কৰাৰ ঘটনা সংক্ৰান্তত শ্ৰীকুমাৰক গ্ৰেপ্তাৰ কৰাৰ পাছতেই তেওঁক আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হয়। কালি নিশা বিভৱ কুমাৰক তিছ হাজাৰী আদালতত হাজিৰ কৰোৱা হয়। মেট্ৰ'পলিটান দণ্ডাধীশ গৌৰৱ গোৱেলে কুমাৰক সোধা-পোছাৰ বাবে ৫ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে। আৰক্ষীৰ জিম্মাৰ ম্যাদ শেষ হোৱাৰ পাছত অহা ২৩ মে'ত তেওঁক পুনৰ আদালতত হাজিৰ কৰোৱা হ'ব।

উল্লেখযোগ্য যে, শ্ৰীমতী মালিৱালে যোৱা ১৩ মে'ত কেজৰিৱালৰ বাসগৃহত তেওঁক আতিশায্য চলোৱা বুলি অভিযোগ তুলি বিভৱ কুমাৰৰ বিৰুদ্ধ অভিযোগ দাখিল কৰিছিল। বিভৱ কুমাৰেও ঘটনাৰ দিনা মুখ্যমন্ত্ৰীৰ বাসগৃহত অবৈধভাৱে প্ৰৱেশ কৰাৰ অভিযোগ তুলি শ্ৰীমতী মালিৱালৰ বিৰুদ্ধে আন এটা অভিযোগ দাখিল কৰিছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ইপিনে হায়দৰাবাদত হ'বলগীয়া আন এখন খেলত পঞ্জাব কিংছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি হ'ব। খেলখন বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব।

একেদৰে বেংগালুৰৰ এম চিন্নাস্বামী ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ২৭ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৫টা উইকেট হেৰুৱাই ২১৮ ৰান সংগ্ৰহ কৰে। অৱশ্যে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰতিযোগিতাত বৰ্তি থাকিবলৈ চেন্নাই ছুপাৰ কিংছক ২০১ ৰানতে সীমাবদ্ধ ৰখাৰ প্ৰয়োজন আছিল। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ ফাফ ডু প্লেছিছে ৩৯টা বলত ৫৪ ৰান কৰাৰ বিপৰীতে বিৰাট কোহলীয়ে ২৯টা বলৰ বিনিময়ত ৪৭ ৰান কৰে। ইয়াৰ প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৰাচিন ৰবীন্দ্ৰৰ ৬১ ৰানৰ সহায়ত ৭ উইকেটৰ বিনিময়ত ১৯১ ৰান সংগ্ৰহ কৰে আৰু শীৰ্ষ ৪টা দলৰ পৰা বাহিৰ হয়। এই জয়ৰ জৰিয়তে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছ, ৰাজস্থান ৰয়েলছ আৰু ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ সৈতে প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰে। এই প্লে অফ পৰ্যায়ৰ খেলসমূহ ২১ মে'ত আৰম্ভ হ'ব।

০০০০০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত আজি হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ টি-২০ ক্ৰিকেট খেলখনৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন আৰক্ষীয়ে যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই সময়ছোৱাত শিশু, মহিলা, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম নাগৰিকসকলৰ যাতায়তৰ সুবিধা হোৱাৰ লগতে জৰুৰীকালীন বাহন যেনে এম্বুলেন্স, স্কুল বাছ, অগ্নি নিৰ্বাপক বাহন আদিৰ চলাচল সুচল হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসৰি আজি দিনৰ ৩ বজাৰ পৰা নিশা ১২ বজালৈ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গুৱাহাটী মহানগৰী অংশত গধুৰ যান-বাহন আৰু বাণিজ্যিক বাহনৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। আজি গুৱাহাটীৰ আৰ্য নগৰৰ পৰা লখৰা চাৰিআলিলৈ যোৱা

পথটো দিনৰ ৩ বজাৰ পৰা ৰানৱে হৈ পৰিব। লালগণেশ তিনিআলি অঞ্চলৰ পৰা খেলৰ কাৰ পাছ থকা বাহনকহে বৰ্ষাপাৰালৈ চলাচলৰ অনুমতি প্ৰদান কৰা হ'ব। বৰ্ষাপাৰা তিনিআলিৰ পৰা ধীৰেণপাৰা তিনিআলিলৈও পথছোৱা ৰানৱে হৈ পৰিব আৰু খেলৰ কাৰ পাছ থকা বাহনেহে চলাচলৰ অনুমতি পাব। অৱশ্যে স্থানীয় বাসিন্দাৰ বাহন আৰু জৰুৰীকালীন সেৱাৰ বাহনৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহয়।

ooooooooo

ভাৰতৰ বিক্ৰান্ত মাল্লিকে পৰ্টুগালৰ লিছবনত অনুষ্ঠিত মিটিং সিডেড দি লিছবোৱা ২০২৪ এথলেটিকছ প্ৰতিযোগিতাৰ পুৰুষৰ জেভলিন থ্ৰ'ত খিতাপ অৰ্জন কৰিছে। বিক্ৰান্তে নিজৰ তৃতীয় প্ৰয়াসত ৮০ দশমিক ৩-০ মিটাৰ দলিয়াই এই খিতাপ অৰ্জন কৰে। ২৮ বছৰীয়া মাল্লিকে প্ৰথম আৰু দ্বিতীয় প্ৰয়াসত ক্ৰমে ৭১ দশমিক ৭-৩ আৰু ৭৪ দশমিক ২-৩ মিটাৰ দলিয়াই নিজৰ শিতানত আধিপত্য বৰ্তাই ৰাখে। ইপিনে পুৰুষৰ শ্ব'টপুটত ভাৰতৰ ধনবীৰ সিঙে দ্বিতীয় স্থান দখল কৰে। পুৰুষৰ হেমাৰ থ্ৰ'ত ধনমিত সিঙে ৬৫ দশমিক ৯-৪ মিটাৰ দলিয়াই তৃতীয় স্থানত থাকে।

ooooooooo

অসম আৰক্ষীৰ এসময়ৰ দক্ষ ফুটবল খেলুৱৈ মমিন বৰদলৈৰ যোৱা নিশা মৰিগাঁও জিলাৰ চিকাবৰীৰ নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ।

ooooooooo

## NEWSPAPER REVIEW (19-05-2024 MORN.)

জলবায়ু পৰিৱৰ্তনৰ বিষয়টো গুৰুত্বসহকাৰে প্ৰকাশ কৰি নিয়মীয়া বাৰ্তা কাকতে দুৰ্যোৰ সংকটত ব্ৰহ্মপুত্ৰ অৱবাহিকা, দুই আন্তৰ্জাতিক সংস্থাৰ গৱেষণালব্ধ প্ৰতিবেদনত ভয়ংকৰ আগজাননী শিৰোনামেৰে বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক অসম কাকতে ২৬ হাজাৰ ঘোষিত বিদেশী সন্ধানহীন, অসমত বাংলাদেশী কিমান? মুখ্যমন্ত্ৰীৰ মতে ১ দশমিক ২-৫ কোটি, ন্যায়াধিকৰণে চিনাক্ত কৰিছে মাত্ৰ ১ দশমিক ২-৬ লাখ শিৰোনামেৰে এই বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ত এ ইউ আই আই পিৰ প্ৰকল্প সঞ্চালকৰ শপতনামাত তথ্য ফাদিল, ২০২৯ লৈ পানী নাপায় গুৱাহাটীবাসীয়ে শিৰোনামেৰে এই বাতৰিটোক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে জুডিচিয়েল ডাটা গ্ৰীডৰ উদ্বেগজনক তথ্য, ৰাজ্যত ৫ লক্ষাধিক নিষ্পত্তিবিহীন গোচৰৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে।

কাইলৈ পঞ্চম পৰ্যায়ৰ নিৰ্বাচন, ৰাহুলকে ধৰি বহু মহাৰথীৰ ভাগ্য নিৰ্ণয় শিৰোনামেৰে বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে আজি গুৱাহাটীৰ বৰ্ষাপাৰাস্থিত অসম ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া কলকাতা নাইট ৰাইডাৰ্ছ আৰু ৰাজস্থান ৰয়েলছৰ মাজৰ খেলখনত সম্ভাব্য বৰষুণে দিব পৰা বিধি পথালি সন্দৰ্ভত বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে ছাত্ৰ-ছাত্ৰী অভিভাৱকক আভুৱা ভাৰি ১৬ শতাধিক ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ বেপাৰ, একাদশ শ্ৰেণীত জালিয়াতিৰে চলিছে নামভৰ্তি শিৰোনামেৰে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আসাম ট্ৰিবিউন কাকতে গুৱাহাটী উচ্চ ন্যায়ালয়ত দুজন ন্যায়াধীশ নিযুক্তি সন্দৰ্ভত, TWO MORE JUDGES FOR GAUAHATI HC শিৰোনামেৰে বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দা ছেণ্টিনেল কাকতে UNION LAW MINISTER SPELLS OUT EVOLUTION OF INDIAN LEGAL SYSTEM শিৰোনামেৰে বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – গুৱাহাটীৰ বীৰকুছিত ৰেলে মহটিয়াই নিলে পাঁচ শ্ৰমিকক, গুৱাহাটী, নয়ডালৈ স্থানান্তৰ নহয় অইলৰ কোনো বিভাগ, বতাহ-ধুমুহাত ১২খন জিলা ক্ষতিগ্ৰস্ত, বিদ্যুৎ সেৱা গুৱাহাটীত ব্যাহত, চাৰিগৰাকী বৰ্ষীয়ান নেতাৰ ঘৰতে ভোটদান ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন। oooooooo

ooooooooo

**সমাপ্ত**